
সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা
Under CSR Support by
ipca | Foundation
সপ্তম শ্রেণীৰ পাঠ্যপুথি
সমাজ বিজ্ঞান
(দ্বিতীয় ভাগ)
ভূগোল
পাঠ - ৬
মানৱসৃষ্ট পৰিৱেশ আৰু মানৱ সম্পদ
অংশ – ৫
জ্যোতি দাস

শিকনৰ ফলাফল

- অসমৰ জলবায়ু হিচাপত উৎপাদিত শস্যসমূহৰ বিষয়ে জানিম।
- বানপানীৰ সৈতে সহাৱস্থান কিদৰে কৰিব পাৰি তাৰ বিষয়ে জানিম।



অসমৰ জলবায়ু আৰু কৃষি
(Climate and Agriculture of Assam)

- অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ মাটি পলসুৱা।
- মৌচুমী জলবায়ুৰ প্ৰভাৱত ইয়াত যথেষ্ট বৃষ্টিপাত হয় বাবে কৃষিৰ কাৰণে উপযোগী।
- ইয়াত বসবাস কৰা লোকসকলৰ বেছি সংখ্যকৰে জীৱিকাৰ প্ৰধান উপায় কৃষি অসমৰ কৃষি উৎপাদিত শস্যসমূহক তিনিটা ভাগত ভগাব পাৰি।

- অসমত উৎপাদিত শস্যক ৩টা গোটত ভাগ কৰিব পাৰি —



খাৰিফ

ৰবি

জায়দ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

খাৰিফ শস্য —

- এপ্রিল-মে' মাহত খেতি কৰা হয়;নৱেম্বৰ-ডিচেম্বৰ মাহত চপোৱা হয়।
- এইবোৰ মূলতঃ গ্ৰীষ্মকালৰ শস্য।

উদাহৰণ —

- শালি ধান
- মৰাপাট
- কুঁহিয়াৰ আদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ৰবি শস্য —

- শীতকালত খেতি কৰা হয়;
- গ্ৰীষ্মৰ আৰম্ভণিতে চপোৱা হয়।

উদাহৰণ —

- আহু আৰু বৰো ধান
- সৰিয়হ
- মাহ
- তিল
- ধপাঁত আদি।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জায়দ শস্য —

- গ্ৰীষ্মকালত এপ্ৰিলৰ পৰা জুন মাহৰ ভিতৰত খেতি কৰা হয়।

উদাহৰণ —

- তিয়ঁহ
- তৰমুজ
- কোমোৰা
- মাকৈ ইত্যাদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জানি থওঁ আহা

- এপ্রিল আৰু জুন মাহৰ সময়খিনিত জলবায়ু শুকান হয় আৰু উষ্ণতা ক্রমশঃ বাঢ়িবলৈ ধৰে।
- কৃষিকার্যৰ এই চুটি ঋতুটোক জায়দ (Zaid) বোলে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



➤ অসমত ওপৰত উল্লেখ কৰা শস্যৰ বাহিৰেও - ফল-মূলৰ খেতি কৰা হয় —

- আলু,
- মূলা,
- কবি,
- লাও,
- বেঙেনা,
- আদা,
- আম,
- কঠাল,
- আনাৰস,
- নাৰিকল,
- অমিতা,
- তামোল,
- পাণ,
- কল আদিও

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- কিন্তু, এই শস্যৰ খেতি এতিয়াও ৰাজ্যত বৈজ্ঞানিকভাৱে বিকশিত হোৱা নাই।



- অসমত এতিয়াও কৃষি ব্যৱসায়িকভাৱে বিকশিত হোৱা নাই।
- **কাৰণ** —
  - জনমূৰি সীমিত মাটি,
  - বৰষুণৰ পানীৰ ওপৰত নির্ভৰশীলতা,
  - পৰম্পৰাগত কৃষি প্ৰণালী
  - বানপানীৰ প্ৰভাৱ আদি



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



বানপানীৰ সৈতে সহাৱস্থান
(Co-existence with flood)

- ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈসমূহেৰে অসম পৰিপূৰ্ণ।
- বাৰিষাকালত দক্ষিণ-পশ্চিম মৌচুমীৰ প্ৰভাৱত ইয়াত প্ৰচুৰ বৃষ্টিপাত হয়।
- এই সময়ছোৱাত অসমৰ বিভিন্ন স্থানত এক বা ততোধিকবাৰ বানপানী হোৱাটো এটা স্বাভাৱিক পৰিঘটনা।

অসমত বানপানীৰ কিছু কাৰণ —

- অসমৰ নদীসমূহে পাহাৰীয়া অঞ্চলৰপৰা খনন কৰি অনা মাটি, শিল, বালিবোৰ কঢ়িয়াই আনি সমভূমি অঞ্চলত কৰে।
- ইয়াৰ ফলত নদীৰ বহন ক্ষমতা হ্ৰাস পায় বাবে বানপানীৰ সৃষ্টি হয়।

- ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উত্তৰ পাৰে থকা উপনৈসমূহে বাৰিষা বৰষুণৰ পানীৰ উপৰি হিমালয়ৰ বৰফ গলা অতিৰিক্ত পানী বহন কৰে, যাৰ বাবে দুয়ো পাৰ উপচি পৰি বানপানীৰ সৃষ্টি হয়।





- 1950 চনৰ বৰভূইকঁপৰ ফলত ব্ৰহ্মপুত্ৰৰ তলি ওফন্দি উঠা বাবে প্ৰত্যেক বছৰে অসমত বান পানী হোৱা দেখা যায়।
- অসমৰ বহুতো মানুহ বান অধ্যুষিত অঞ্চলত বসবাস কৰে। এইসকল লোক বানপানীৰ দ্বাৰা সহজে ক্ষতিগ্ৰস্ত হয়।
- বানপানীয়ে পৰিৱেশ আৰু মানুহৰ বিস্তৰ ক্ষতিসাধন কৰে যদিও ইয়াৰ ইতিবাচক দিশো নথকা নহয়।

- অসমত বানপানীৰ সমস্যাটো কিছু পৰিমানে নিয়ন্ত্রণ কৰিব পাৰিলেও স্থায়ী সমাধান এতিয়াও সম্ভৱ হৈ উঠা নাই।

এই উদ্দেশ্যে গ্রহণ কৰিবলগীয়া কিছুমান ব্যৱস্থা হ'ল —



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



- বানাক্রান্ত অঞ্চলত বানপানী নোহোৱা সময়ত কৰিব পৰা কৃষিৰ ওপৰত গুৰুত্ব দিয়া।
- ওখ স্থানত বাসগৃহ নির্মাণ কৰি সা-সম্পত্তি সুৰক্ষিত কৰাৰ ব্যৱস্থা কৰা।
- বানপানীৰ সময়ত মানুহ আৰু পোহনীয়া জীৱ-জন্তুৰে সৈতে ওখ সুৰক্ষিত স্থানত গৈ অস্থায়ীভাৱে আশ্রয় গ্রহণ কৰাৰ ব্যৱস্থা কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- পোহনীয়া জীৱ-জন্তু আৰু মানুহৰ খাদ্য সামগ্ৰী বানপানীত ডুব নোযোৱাকৈ ওখ চাংঘৰ সাঁজি তাত ৰখাৰ ব্যৱস্থা কৰা।
- বানপানীৰ সময়ত ব্যৱহাৰ কৰিবৰ কাৰণে পৰিষ্কাৰ পানীৰ সু-ব্যৱস্থা ৰখা।
- বানপানী হোৱাৰ আগতে প্ৰয়োজনীয় ঔষধ, খাদ্য সামগ্ৰী, অস্থায়ী গৃহ নিৰ্মাণৰ সামগ্ৰী, বীজাণুনাশক দ্ৰব্য মজুত কৰি ৰখা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- ব্যৱহাৰৰ কাৰণে ব্যক্তিগতভাৱে নাওঁ বা ভুৰ ৰখা।
- কর্তৃপক্ষৰ নিয়ন্ত্রণ কক্ষৰ ফোন নম্বৰ ৰখা।
- বানপানীৰ সম্ভাব্য বিপদৰ পৰা হাত সাৰিবৰ বাবে সাঁতুৰিবলৈ শিকা।
- বিভিন্ন প্রচাৰ মাধ্যমযোগে প্রচাৰিত বতৰৰ বাতৰি সম্পর্কে প্রয়োজনীয় খবৰ ৰখা।

মূল্যায়ন



2 খাৰিফ শস্য কোন মাহত কৰা হয় -

ক এপ্ৰিল, মে'

খ নৱেম্বৰ. ডিচেম্বৰ

মূল্যায়ন



1 বৰো ধান কি উৎপাদিত শস্যৰ উদাহৰণ।

ক ৰবি শস্য

খ জায়দ শস্য

খ খাৰিফ শস্য

মূল্যায়ন





3 | বান নিয়ন্ত্রণৰ বাবে.....ব্ৰহ্মপুত্ৰ..... ব'ৰ্ড অসমত প্ৰতিষ্ঠা কৰিছে।